প্ৰেছ বাৰ্তা

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, অসম

# পি এম এ ৱাই-জিৰ অধীনত সম্পূৰ্ণ ৩ লাখতকৈ অধিক বাসগৃহৰ নিৰ্মাণ

## জানুৱাৰী, ২০২০ৰ পৰা সম্পূৰ্ণ কৰিলে ১ লাখ বাসগৃহ

## 'পি এম এ ৱাই-জিৰ অধীনৰ বাসগৃহ সময়মতে সম্পূৰ্ণ কৰাটো আমাৰ পৱিত্ৰ কৰ্তব্য'—মন্ত্ৰী দলে

**গুৱাহাটী ১ আগষ্ট ঃ** প্ৰধান মন্ত্ৰী আৱাস যোজনা-গ্ৰামীণ (পি এম এ ৱাই-জি)ৰ অধীনত অসমত এতিয়ালৈ ৩,০০,৩৫৫ টা আৱাস গৃহৰ নিৰ্মাণ সম্পূৰ্ণ হৈছে। উল্লেখযোগ্য যে ৰাজ্যখনত বৰ্তমানৰ কোভিড-১৯ মহামাৰীৰ এই দুৰ্যোগপূৰ্ণ সময়, সামগ্ৰীৰ নাটনি আৰু ঠাই বিশেষে ৰাজমিস্ত্ৰীৰ সংখ্যা পৰ্যাপ্ত নোহোৱা স্বত্বেও যোৱা জানুৱাৰী মাহৰ পৰা এতিয়ালৈ এক লাখ বাসগৃহ সম্পূৰ্ণ হৈ উঠিছে। উল্লেখ কৰিব পাৰি যে বহিঃৰাজ্যৰ পৰা উভতি অহা প্ৰায় ২, ০০০ ৰাজমিস্ত্ৰীক এতিয়ালৈকে পি এম এ ৱাই-জিৰ অধীনৰ বাসগৃহ নিৰ্মাণ কাৰ্যত নিয়োগ কৰা হৈছে।

এইখিনিতে উল্লেখ কৰিব পাৰি যে যোৱা ২০১৬-১৭ৰ পৰা ২০২০-২১ বৰ্ষলৈ অসমে ভাৰত চৰকাৰৰ পৰা এই আঁচনিৰ অধীনত ৮,৮১,৮৮৩৩ টা বাসগৃহৰ আৱণ্টন লাভ কৰিছে। ইয়াৰ ভিতৰত ৫,০১,৮২৭ টা ঘৰ পঞ্জীয়ন কৰাৰ বিপৰীতে ৪,৫৬,২৫৪ টা ঘৰ জিঅ' টেগ কৰা হৈছে আৰু ৪,৩৬,১০৮ টা ঘৰ নিৰ্মাণৰ বাবে অনুমোদন দিয়া হৈছে। এই অনুমোদিত ঘৰৰ ৩ লাখতকৈ অধিক ঘৰ সম্পূৰ্ণ হোৱাৰ বিপৰীতে বাকী থকা ঘৰসমূহ নিৰ্মাণৰ বিভিন্ন স্তৰত আছে।

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী নৱ কুমাৰ দলেয়ে পি এম এ ৱাই-জিৰ অধীনত বাসগৃহৰ নিৰ্মাণ সম্পূৰ্ণ কৰা হিতাধিকাৰীসকললৈ, বিশেষকৈ বৰ্তমানৰ প্ৰতিকূল পৰিস্থিতি, সা-সামগ্ৰীৰ অভাৱ তথা ঠাই বিশেষে বুজন সংখ্যক ৰাজমিস্ত্ৰীৰ অভাৱ স্বতেও যিসকলে নিজৰ সপোনৰ গৃহটি সম্পূৰ্ণ কৰিবলৈ সক্ষম হৈছে, এই সকলো পৰিয়ালকে আন্তৰিক অভিনন্দন জনাইছে। আনহাতে ভাৰত চৰকাৰে লক্ষ্য নিৰ্দ্ধাৰণ কৰি দিয়া সমস্ত আৱাস গৃহৰ পঞ্জীয়নৰ পৰা অনুমোদনলৈকে সকলো কাম তৎকালীনভাৱে সম্পন্ন কৰিবলৈ সংশ্লিষ্ট সকলোকে মন্ত্ৰীগৰাকীয়ে নিৰ্দেশ দিয়ে। নিৰ্মাণৰ প্ৰতিটো স্তৰতে যাতে প্ৰতিগৰাকী হিতাধিকাৰীয়ে সংশ্লিষ্ট চৰকাৰী বিষয়া-কৰ্মচাৰীৰ সহায় লাভ কৰে তাৰ প্ৰতি দৃষ্টি ৰাখিবলৈও তেওঁ আহ্বান জনায়। ২০২২ চনৰ ভিতৰত দেশৰ প্ৰতিটো দুখীয়া পৰিয়ালকে একোটিকৈ বুনিয়াদী সা-সুবিধাযুক্ত আৱাস গৃহ প্ৰদানৰ যি লক্ষ্য আগত ৰাখি প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে এই আঁচনি গ্ৰহণ কৰিছিল সেয়া বাস্তৱ কৰিবলৈ হ'লে নিৰ্দ্ধাৰিত সময়ত এই আঁচনিৰ অধীনৰ গৃহমূহৰ নিৰ্মাণ সম্পউৰ্ণ কৰাটো সকলোৰে নৈতিক তথা পৱিত্ৰ দায়িত্ব আৰু ইয়াৰ জৰিয়তে সমাজৰ আটাইতকৈ দুৰ্গত শ্ৰেণীটোলৈ সৰা আগবঢ়োৱা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে সকলোকে সোঁৱৰাই দিয়ে।

*এম আৰ ডি/০১-০৮-২০২০*

**Press Release**

**Panchayat and Rural Development, Assam**

# More than 3 lakhs PMAY-G houses completed in Assam

## 1 lakh completed since January, 2020

## 'Its our noble duty to complete all PMAY-G houses within the stipulated time'-Minister Doley

**Guwahati August 1:** 3,00,355 houses under Pradhan Mantri Awaas Yojna Gramin (PMAY-G) have been completed in Assam till date. Out of these 1 lakh has been completed since January, 2020, in spite of critical environment of COVID-19 pandemic, scarcity of materials in hill districts and also paucity of skilled Masons in most parts of the state. It may be noted that till now nearly 2,000 migrated masons have been engaged in construction of PMAY-G houses.

It may be mentioned here that Assam has received a target of 8,81,833 houses under PMAY-G from Government of India since 2016-17 to 2020-21. Out of this target, 5,01,827 houses have been registered, 4,56,254 geo-tagged and 4,36,108 are sanctioned for construction till now, of which, more than 3 lakhs houses are completed and remaining are in various stages of construction.

Minister, Panchayat and Rural Development, Naba Kr Doley congratulates the owners of the PMAY-G houses, especially those who have completed their dream home in this tough challenging situation of current pandemic in spite of facing various crisis, right from material to mason. He also urges all concerned to complete all procedures of all targets from registration to sanction in a war footing manner. Minister Doley stresses upon forwarding a helping hand from Govt machinery to each and every beneficiary of this scheme in each step so that Assam may be able to reach the target in stipulated time and may contribute in making Prime Minister Narendra Modi's vision of providing a house with basic amenities to each and every poor family of the country in reality and thus to serve for the vulnerable section of the state.

*MRD/01-08-2020*



